# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 09-01-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভূবনেশ্বৰত প্ৰৱাসী ভাৰতীয় দিৱসৰ অষ্টাদশ অভিৱৰ্তন আনুষ্ঠানিকভাৱে মুকলি কৰিব।

২। ইছৰোই স্পেডেক্স অভিযানৰ অধীনত পৃথিৱীৰ নিম্ন কক্ষপথত প্ৰদক্ষিণ কৰি থকা ইয়াৰ কৃত্ৰিম উপগ্ৰহ দুটা ব্যৱহাৰ কৰি মহাকাশ যান সংযুক্ত কৰাৰ সম্পৰীক্ষা পুনৰ স্থগিত ৰাখিছে।

৩। অন্ধ্ৰপ্ৰদেশৰ তিৰুপতিত কালি বৈকুণ্ঠ একাদশী দৰ্শনৰ টোকেন কাউণ্টাৰত হোৱা হেঁচা-ঠেলাৰ ঘটনাত ৬ জন লোকে প্ৰাণ হেৰুৱায় আৰু অন্য ৪০ জন আহত হয়।

৪। প্ৰবীণ অভিনেত্ৰী জ্ঞানদা কাকতিৰ যোৱানিশা শ্বিলঙত দেহাৱসান ঘটে।

*আৰু*

৫। ভাৰতৰ এইচ এছ প্ৰণয় আৰু মালৱিকা বনচোড়ে মালয়েছিয়া অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ নিজ নিজ শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ওড়িশাৰ ৰাজধানী ভূবনেশ্বৰৰ জনতা ময়দানত প্ৰৱাসী ভাৰতীয় দিৱসৰ অষ্টাদশ অভিৱৰ্তন আনুষ্ঠানিকভাৱে মুকলি কৰিব। শ্ৰীমোদী কালি বিয়লি ভূবনেশ্বৰত উপস্থিত হয়। ওড়িশাৰ ৰাজ্যপাল হৰিবাবু কম্ভমপতি, মুখ্যমন্ত্ৰী মোহন চৰণ মাঝি আৰু কেন্দ্ৰীয় মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে তেওঁক বিমান বন্দৰত আদৰণি জনায়। ভূবনেশ্বৰত কালিৰে পৰা কেন্দ্ৰীয় চৰকাৰে ওড়িশা চৰকাৰৰ সহযোগত প্ৰৱাসী ভাৰতীয় দিৱসৰ অষ্টাদশ অভিৱৰ্তন চলি আছে। কাইলৈ এই অভিৱৰ্তনৰ সামৰণি পৰিব। এই অনুষ্ঠানে প্ৰৱাসী ভাৰতীয় সকলক পৰস্পৰৰ সৈতে সংযুক্ত হোৱাৰ এখন মঞ্চ প্ৰদান কৰে। ৫০ খনৰো অধিক দেশৰ প্ৰতিনিধিয়ে বিকশিত ভাৰতলৈ প্ৰৱাসীসকলৰ অৱদান বিষয়বস্তুৰে আয়োজিত এই অভিৱৰ্তনত ভাগ লোৱাৰ বাবে নাম পঞ্জীয়ন কৰিছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু এই অভিৱৰ্তনৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে আজি বিয়লি ভূবনেশ্বৰত উপস্থিত হ'ব। শ্ৰীমতী মুৰ্মুৱে বিভিন্ন ক্ষেত্ৰত লাভ কৰা সাফল্যৰ স্বীকৃতি স্বৰূপে একাংশ প্ৰৱাসী ভাৰতীয়ক প্ৰৱাসী ভাৰতীয় সন্মান প্ৰদান কৰিব।

০০০০০

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোই স্পেডেক্স অভিযানৰ অধীনত পৃথিৱীৰ নিম্ন কক্ষপথত প্ৰদক্ষিণ কৰি থকা ইয়াৰ কৃত্ৰিম উপগ্ৰহ দুটা ব্যৱহাৰ কৰি মহাকাশ যান সংযুক্ত কৰাৰ সম্পৰীক্ষা পুনৰ স্থগিত ৰাখিছে। মহাকাশ

গৱেষণা সংস্থাটোৱে উপগ্ৰহ দুটাৰ মাজত অত্যাধিক অপৱাহৰ বাবে এই পৰীক্ষা স্থগিত ৰখাৰ সিদ্ধান্ত লোৱা বুলি প্ৰকাশ কৰিছে। ইছৰোই উপগ্ৰহ দুটাৰ মাজৰ ব্যৱধান ২২৫ মিটাৰলৈ হ্ৰাস কৰাৰ বাবে প্ৰচেষ্টা চলোৱাৰ সময়ত এই অপৱাহৰ বিষয়ে জানিব পাৰে। ভাৰতীয় মহাকাশ গৱেষণা সংস্থাই পূৰ্বতে ৭ জানুৱাৰীত আৰু পাছত আজি উপগ্ৰহ দুটা ব্যৱহাৰ কৰি মহাকাশ যান সংযুক্ত কৰাৰ এই সম্পৰীক্ষা সম্পন্ন কৰাৰ কথা আছিল। গৱেষণা সংস্থাটোৱে শীঘ্ৰেই এই পৰীক্ষাৰ নতুন দিন-বাৰ ঘোষণা কৰিব। ছেজাৰ নামেৰে জনাজাত SDX01 আৰু টাৰ্গেট নামেৰে জনাজাত SDX02 নামৰ কৃত্ৰিম উপগ্ৰহ দুটা নিৰাপদে আছে আৰু স্বাভাৱিকভাৱে কাম কৰি আছে। ইছৰোই ৩০ ডিচেম্বৰত PSLV C60 উৎক্ষেপন যানেৰে এই উপগ্ৰহ দুটাক নিৰ্ধাৰিত কক্ষপথত সফলতাৰে স্থাপন কৰিছিল। ২২০ কিলোগ্ৰাম ওজনৰ এই কৃত্ৰিম উপগ্ৰহ দুটা পৃথিৱীৰ ৪৭৫ কিলোমিটাৰ উচ্চতাত প্ৰদক্ষিণ কৰি আছে।

ooooo

অন্ধ্ৰপ্ৰদেশৰ তিৰুপতিত বৈকুণ্ঠ একাদশী দৰ্শনৰ টোকেন কাউণ্টাৰত কালি হোৱা হেঁচা-ঠেলাৰ ঘটনাত ৬ জন লোকে প্ৰাণ হেৰুৱায় আৰু অন্য ৪০ জন আহত হয়।

বৈকুণ্ঠ একাদশী দৰ্শন অতি পৱিত্ৰ বুলি গণ্য কৰা হয়। তিৰুমালা তিৰুপতি দেৱস্থানমে কাইলৈৰ পৰা ১২ জানুৱাৰীলৈ হ'বলগীয়া বৈকুণ্ঠ একাদশী দৰ্শনৰ টোকেন জাৰি কৰাৰ বাবে তিৰুপতিৰ তিনিটা পৃথক পৃথক স্থানত ৯৪টা কাউণ্টাৰ স্থাপন কৰিছে। ৰামানাইডু বিদ্যালয়ৰ সমীপত স্থাপন কৰা কাউণ্টাৰত টোকেন লাভৰ বাবে হোৱা হেঁচা-ঠেলাৰ ঘটনাত এই লোককেইজন হতাহত হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী এন. চন্দ্ৰবাবু নাইডুৱে এই ঘটনাক লৈ গভীৰ শোকপ্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যম যোগে এই ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ নিকট আত্মীয়সকললৈ সমবেদনা প্ৰকাশ কৰিছে। তেওঁ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰিছে। প্ৰধানমন্ত্ৰীয়ে কৈছে, যে প্ৰভাৱিত লোকসকলক সম্ভাব্য সকলো ধৰণৰ সহায় আগবঢ়াইছে।

তিৰুমালা তিৰুপতি দেৱস্থানমৰ অধ্যক্ষ বি আৰ নাইডুৱে কৈছে, যে মুখ্যমন্ত্ৰীয়ে টেলি কনফাৰেন্সৰ মাধ্যমৰ পৰিস্থিতিৰ পৰ্যালোচনা চলাইছে আৰু তেওঁ আজি তিৰুপতি পৰিদৰ্শন কৰিব। অন্ধ্ৰপ্ৰদেশৰ আৰক্ষী সঞ্চালক প্ৰধান আৰু মুখ্য সচিবে জিলা বিষয়াসকলৰ সৈতে পৰিস্থিতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে।

কংগ্ৰেছ সাংসদ তথা লোকসভা বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধীয়েও তিৰুপতিৰ হেঁচা-ঠেলাৰ ঘটনাক লৈ শোকপ্ৰকাশ কৰিছে। কংগ্ৰেছ নেতাগৰাকীয়ে সামাজিক মাধ্যম এক্স যোগে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে আৰু আহতসকলৰ আশু আৰোগ্য কামনা কৰিছে। তেওঁ লগতে দলৰ নেতা, কৰ্মীসকলক এই জটিল সময়ত সম্ভাব্য সকলো ধৰণৰ সহায় আগবঢ়াবলৈ আহ্বান জনাইছে।

ooooo

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কালি নতুন দিল্লীত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনক সাক্ষাৎ কৰে আৰু কেন্দ্ৰীয় বাজেট দাখিললৈ চাই বিভিন্ন বিষয় লৈ আলোচনা কৰে। বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীচৌহানে কয়, যে তেওঁলোকে কৃষি, গ্ৰামোন্নয়ন, ভাৰতীয় কৃষি গৱেষণা প্ৰতিষ্ঠান আৰু ভূ-সম্পদকে ধৰি বাজেটৰ চাৰিটা শিতানক লৈ আলোচনা কৰে।

ooooo

প্ৰবীণ অভিনেত্ৰী জ্ঞানদা কাকতিৰ যোৱানিশা শ্বিলঙত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯৪ বছৰ। ১৯৪৮ চনত পাৰঘাট ছবিৰে অসমীয়া চলচ্চিত্ৰ জগতত অভিনয় জীৱন আৰম্ভ কৰা জ্ঞানদা কাকতিয়ে অসমীয়াৰ লগতে বঙালী ছবিতো অভিনয় কৰিছিল। তেওঁ অভিনয় কৰা উল্লেখযোগ্য ছবিসমূহৰ ভিতৰত পিয়লি ফুকন, পূৰেৰুণ, সৰাপাত, লখিমী, ৰঙা পুলিচ, চাকনৈয়া, পুৱতি নিশাৰ সপোন, ওপৰ মহলা, শেষ বিচাৰ, প্ৰিয়জন আৰু ৰাগ-বিৰাগ অন্যতম। ১৯৯৬ চনৰ ৰাগবিৰাগ তেওঁৰ অন্তিমখন ছবি আছিল। জ্ঞানদা কাকতিয়ে পূৰেৰুণ ছবিৰ বাবে বাৰ্লিণ চলচ্চিত্ৰ মহোৎৱসত দেশক প্ৰতিনিধিত্ব কৰিছিল। তেওঁ ২০০২ চনত কলাগুৰু বিষ্ণু ৰাভা বঁটা লাভ কৰিছিল। অনাতাঁৰ কেন্দ্ৰৰ গায়িকা ৰূপে প্ৰতিষ্ঠা লাভ কৰা জ্ঞানদা কাকতিয়ে দুখনমান গ্ৰামোফোন ৰেকৰ্ডতো গান গাইছিল। শ্বিলঙৰ বাসিন্দা জ্ঞানদা কাকতি দীৰ্ঘদিন ধৰি অসুস্থ হৈ আছিল।

00000

ৰে'লমন্ত্ৰী অশ্বিনী ভাইচনৱে জম্মু আৰু শ্ৰীনগৰৰ ৰে'ললাইন সংযোগৰ কাম সম্পূৰ্ণ হোৱাৰ কথা ঘোষণা কৰে। নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা এক কথা বতৰাত মন্ত্ৰীগৰাকীয়ে এই সাফল্যক ভাৰতৰ ৰে'লৱেৰ বাবে এটা ঐতিহাসিক মুহূৰ্ত বুলি প্ৰশংসা কৰে।

00000

কেন্দ্ৰীয় বিমান পৰিবহন মন্ত্ৰী মুৰলীধৰ মহলে কয়, যে প্ৰয়াগৰাজ বিমান বন্দৰৰ নতুন টাৰ্মিনেল অহা ১৫ জানুৱাৰীৰ পৰা কাৰ্যক্ষম হ'ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰয়াগৰাজ বিমান বন্দৰ পৰিদৰ্শন আৰু বিষয়াসকলৰ সৈতে হোৱা এখন বৈঠকৰ পাছত এই কথা প্ৰকাশ কৰে। লগতে তেওঁ কয়, যে বিমানখনৰ নিশা অৱতৰণৰ সংখ্যা বৃদ্ধি কৰা হ'ব আৰু প্ৰয়োজন হ'লে যাত্ৰীসকলৰ সুবিধাৰ্থে বিমান সংখ্যাও বৃদ্ধি কৰা হ'ব।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জনোৱা মতে, মহা কুম্ভলৈ অহা ভক্তসকলে যাতে বিমানবন্দৰত কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন নহয় তাৰবাবে বিষয়াসকলক বিশেষ গুৰুত্ব দিবলৈ নিৰ্দেশ দিয়া হৈছে। প্ৰয়াগৰাজ ভ্ৰমণৰ সময়তে মন্ত্ৰীগৰাকীয়ে কুম্ভমেলা অঞ্চলত উপস্থিত হৈ সংগমত স্নান কৰে। প্ৰয়াগৰাজ মহাকুম্ভ অহা ১৩ জানুৱাৰীৰ পৰা ২৬ জানুৱাৰীলৈ চলিব।

00000

ভাৰতৰ এইচ এছ প্ৰণয় আৰু মালৱিকা বনচোড়ে কোৱলালামপুৰত অনুষ্ঠিত মালয়েছিয়া অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ নিজ নিজ শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। খেলুৱৈগৰাকীয়ে কালি এখন বৰ্ষাবিঘ্নিত খেলত কানাডাৰ ব্ৰায়ন য়াঙক ২১-১২, ১৭-২১, ২১-১৫ গেমত পৰাস্ত কৰে। প্ৰণয়ে আজি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত চীনৰ শ্বি ফেং লীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি পুৱা ৮ বাজি ১০ মিনিটত আৰম্ভ হ'ব। ইপিনে, মালৱিকাই কালি মালয়েছিয়াৰ গ'হ জিন ৱেইক ২১-১৫, ২১-১৬ গেমত পৰাস্ত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰে। মালৱিকা আজি ভাৰতীয় সময় অনুসৰি পুৱা চাৰে ১০ বজাত হ'বলগীয়া প্ৰি-কোৱাৰ্টাৰ ফাইনেলত চীনৰ হান য়ুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। একেদৰে মিক্সড ডাবলছত কালি ভাৰতৰ ধ্ৰুৱ কপিলা আৰু তনিশা ক্ৰাষ্টোৰ যুটীটোৱে দক্ষিণ কোৰিয়াৰ ছুং হ্যুন আৰু হো ৱোন ইয়োমক ২১-১৩, ২১-১৪ত পৰাস্ত কৰে। ভাৰতীয় যুটীটো সম্প্ৰতি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত আৰু চীনৰ সপ্তম বাছনিপ্ৰাপ্ত জিং চেং আৰু চি ঝাঙৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

00000

তামিলনাডু ড্ৰেগনছে যোৱানিশা ৰুৰকেল্লাৰ বীৰছা মুণ্ডা ষ্টেডিয়ামত অনুষ্ঠিত হকী ইণ্ডিয়া লীগ প্ৰতিযোগিতাৰ এখন খেলত নেডাৰলেণ্ডছৰ  ড্ৰেক ফ্লিকাৰ জিপ জানছেনৰ হেট্ৰিকৰ সহায়ত টীম গোণাছিকাক ৬-৫ গ'লত পৰাস্ত কৰে। এই জয়ৰ সুবাদত তামিলনাডু ড্ৰেগনছে  চাৰিখন খেলৰ পৰা ৯ পইণ্ট অৰ্জন কৰি প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ দ্বিতীয় স্থানত উপনীত হৈছে।

কালিৰ আন এখন খেলত হায়দৰাবাদ টুফানছে ইউ পি ৰুদ্ৰাছক ৩-০ গ'লত পৰাস্ত কৰি এইবাৰৰ প্ৰতিযোগিতাৰ প্ৰথমখন খেলত জয়লাভ কৰে। প্ৰতিযোগিতাত আজি ৰুৰকেল্লাত হ'বলগীয়া এখন খেলত বেদান্ত কলিংগ লেন্সাৰ্ছ টীম গোণাছিকাৰ সন্মুখীন হ'ব। খেলখন নিশা ৮ বাজি ১৫ মিনিটত আৰম্ভ হ'ব।

ooooo

চেন্নাইয়িন এফ চি আজি চেন্নাইত হ'বলগীয়া আই এছ এল ফুটবল প্ৰতিযোগিতাৰ এখন খেলত ওড়িশা এফ চিৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। চেন্নাইয়িন এফ চি বৰ্তমান ১৫ পইণ্টেৰে প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ দশম স্থানত আৰু ওড়িশা এফ চি ২০ পইণ্টেৰে সপ্তম স্থানত আছে।

ooooo

**সমাপ্ত**